**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-09-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। নগৰীকৰণৰ ফলত সৃষ্টি হ'ব পৰা সমস্যাসমূহৰ প্ৰতি সংবেদনশীল হ'বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্থানীয় নগৰীয়া নিকায়সমূহক আহ্বান জনাইছে।

২। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে ভাৰতৰ বাবে পথ সুৰক্ষা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে বুলি মত প্ৰকাশ কৰে।

৩। নেপালৰ প্ৰলয়ংকাৰী বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৫০ লৈ বৃদ্ধি হৈছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি তিনিদনীয়া ভ্ৰমণসূচীৰে ইউক্ৰেইন আৰু পোলেণ্ডলৈ যাব।

*আৰু*

৫। মহিলাৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

জনসংখ্যা বৃদ্ধি, ভৱিষ্যতৰ সম্ভাব্য জল সংকটকে ধৰি নগৰীকৰণৰ ফলত সৃষ্টি হ'ব পৰা সমস্যাসমূহৰ প্ৰতি সংবেদনশীল হ'বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নগৰীয়া স্থানীয় নিকায়সমূহক আহ্বান জনাইছে। তেওঁ নগৰীয়া স্থানীয় নিকায়সমূহত চিন্তন শিবিৰ আয়োজন কৰি এই বিষয়সমূহ আলোচনা কৰাৰ বাবে আহ্বান জনায়। জলশক্তি মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত দুদিনীয়া ৰাষ্ট্ৰীয় জল সন্মিলনৰ সামৰণি অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমোদীয়ে এই বিষয়ে উল্লেখ কৰে। তেওঁ জল সংৰক্ষণৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে লগতে সজাগতা সৃষ্টিৰ বাবে প্ৰদৰ্শনী, কৰ্মশালা আৰু অংশীদাৰসকলৰ বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিবলৈ আহ্বান জনাইছে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে দেশত বৰ্ধিত পথ দুৰ্ঘটনা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি ভাৰতৰ বাবে পথ সুৰক্ষা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে বুলি মত প্ৰকাশ কৰে। নতুন দিল্লীত কালি উন্নত ঘাইপথ অভিৱৰ্তন ২০২৬ত দিয়া ভাষণত শ্ৰীগাডকাৰীয়ে কয়, যে প্ৰতিবছৰে ১ লাখ ৮০ হাজাৰ লোক পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱায়। মন্ত্ৰীগৰাকীয়ে পথ দুৰ্ঘটনা আৰু ইয়াৰ ফলত হোৱা মৃত্যুৰ সংখ্যা হ্ৰাস কৰিবলৈ ব্যাপক জন সজাগতা আৰু বাহন চলোৱাৰ ক্ষেত্ৰত দায়িত্বসম্পন্ন আচৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে বাহন চলোৱাৰ কৌশল আৰু সুৰক্ষিতভাৱে পথত যান-বাহন চলোৱাৰ নীতিসমূহ আয়ত্ব কৰাৰ বাবে দেশৰ ঠায়ে ঠায়ে উৎসৰ্গিত গাড়ীচালক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ প্ৰয়োজন হৈছে। তেওঁ চালকসকলৰ স্বাস্থ্য আৰু সুস্থতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে গাড়ীচালকগৰাকীৰ শাৰীৰিক আৰু মানসিক সুস্থতাই পথ সুৰক্ষাৰ ওপৰত প্ৰভাৱ পেলায়।

**বাইট (গাডকাৰী)**

অনুষ্ঠানত দিয়া ভাষণত শ্ৰীগাডকাৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভ কৰা পি এম ৰাহত আঁচনিৰ বিষয়ে উল্লেখ কৰে। এই আঁচনিৰ অধীনত দুৰ্ঘটনা সংঘটিত হোৱাৰ এসপ্তাহৰ ভিতৰত পথ দুৰ্ঘটনাৰ বলি হোৱা প্ৰতিগৰাকী যোগ্য ব্যক্তিয়ে ডেৰ লাখ টকালৈকে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

নেপালৰ প্ৰলয়ংকাৰী বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৫০ লৈ বৃদ্ধি হৈছে। হিমালয়ৰ কাষৰীয়া অঞ্চলত মাটিৰ তলৰ বিদ্যুৎ উৎপাদন কেন্দ্ৰ আৰু ভোটে কোশী নৈৰ কাষৰীয়া সুৰংগসমূহত আবদ্ধ হৈ থকা লোকসকলক বৰষুণ আৰু বোকাময় পৰিস্থিতিৰ মাজত উদ্ধাৰৰ ক্ষেত্ৰত উদ্ধাৰকাৰী দলসমূহ অসুবিধাৰ সন্মুখীন হৈছে। এই ঘটনাত সন্ধানহীন লোকসকলৰ ভিতৰত ৫৮৩ গৰাকী বিদেশী লোক বুলি প্ৰকাশ কৰা হৈছে। সুৰক্ষাবাহিনী আৰু নেপালৰ সেনা বাহিনীয়ে যুটীয়াভাৱে হেলিকপ্টাৰ আৰু পথেৰে গৈ চলোৱা অভিযানত ১১ হাজাৰ ৯৯৩ জন লোকক উদ্ধাৰ কৰা হৈছে। এই অভিযানৰ বাবে ২১ হাজাৰ ৩১৪ গৰাকী সুৰক্ষা বাহিনীৰ লোক নিয়োগ কৰা হৈছে। ইপিনে চীনত এই বানৰ ফলত হোৱা মৃত্যু হোৱা লোকৰ সংখ্যা ২১ লৈ বৃদ্ধি হৈছে আৰু ৫৪১ জন সন্ধানহীন হৈ আছে। কালি নিম্ন সদনত নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহে কয়, যে এই সংকটৰ প্ৰভাৱ হ্ৰাস কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে উমৈহতীয়া দায়িত্ব গ্ৰহণ কৰিব লাগিব। এই ভয়াৱহ ধ্বংসযজ্ঞই হিমালয় অঞ্চলত প্ৰভাৱ বৃদ্ধি পোৱা জলবায়ুজনিত বিপদৰ এক স্পষ্ট সতৰ্কবাণী দিছে। এই ভয়ংকৰ দুৰ্যোগে জলবায়ু পৰিৱৰ্তনৰ ফলত হিমালয় অঞ্চলত বসবাস কৰা লোকসকলৰ সন্মুখত গভীৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি তেঁও কয় যে বিশেষজ্ঞসকলে উচ্চ হিমালয়ত হোৱা হিমস্খলনৰ এই ঘটনাক অঞ্চলটোৰ বৃহৎ দুৰ্যোগ হিচাপে চিহ্নিত কৰিছে। আন্তঃৰাষ্ট্ৰীয় উন্নয়নমূলক অংশীদাৰ যেনে এছিয়ান ডেভেলপমেণ্ট বেংক, বিশ্ব বেংক, ইউৰোপীয় সংঘ, ৰাষ্ট্ৰ সংঘকে ধৰি বিভিন্ন সংস্থাই আগবঢ়োৱাৰ লগতে ভাৰত, চীন আৰু দক্ষিণ কোৰিয়াৰ বিশেষজ্ঞৰ দলে জলবিদ্যুৎ প্ৰকল্পস্থলীসমূহত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে যোৱা ২৬ আগষ্টৰ প্ৰলয়ংকাৰী বানে নেপালৰ ৰাছুৱা, নুৱাকট আৰু ধাদিং নামৰ ৩ খন জিলা সম্পূৰ্ণৰূপে বিধবস্ত কৰি থৈ যায়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি তিনিদনীয়া ভ্ৰমণসূচীৰে ইউক্ৰেইন আৰু পোলেণ্ডলৈ যাব। এই ভ্ৰমণকালত ডং জয়শংকৰে ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী আন্দ্ৰী ছিবিহা আৰু পোলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী ৰাডোস্লাভ ছিক'ৰস্কিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই ভ্ৰমণকালত দেশ দুখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে আঞ্চলিক ঘটনাক্ৰম আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন বিষয়লৈ মত বিনিময়ৰ সুযোগ প্ৰদান কৰিব বুলি মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বেলজিয়ামৰ প্ৰধানমন্ত্ৰী বাৰ্ট ডি ৱেভাৰ আজি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহকে ধৰি দ্বিপাক্ষিক সম্পৰ্কক প্ৰভান্বিত কৰিব পৰা সমগ্ৰ বিষয় আলোচনা কৰিব। বেলজিয়ামৰ

প্ৰধানমন্ত্ৰীগৰাকী তিনিদিনীয়া ভ্ৰমণসূচীৰে যোৱানিশা ৰাজধানী দিল্লীত উপস্থিত হৈছে। তেওঁৰ সৈতে বেলজিয়ামৰ প্ৰতিৰক্ষা মন্ত্ৰী থিঅ’ ফ্ৰাংকেনো ভাৰতলৈ আহিছে। প্ৰধানমন্ত্ৰীগৰাকীৰ যোৱা ফেব্ৰুৱাৰীত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া প্ৰথম ভাৰত ভ্ৰমণ। প্ৰধানমন্ত্ৰী ৰেভাৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য চুক্তিৰ প্ৰেক্ষাপটত ভাৰতীয় ঔদ্যোগিক মহাসংঘৰ ব্যৱসায়িক কাৰ্যসূচীত ভাষণ দিব। এই ভ্ৰমণে ভাৰত আৰু বেলজিয়ামৰ অংশীদাৰিত্ব তথা সহযোগিতা বৃদ্ধি কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু নিৰাপত্তা তথা নৱীকৰণযোগ্য শক্তিকে ধৰি দ্বিপাক্ষিক বিভিন্ন বিষয়ত সহযোগিতা অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ভাৰত আৰু বেলজিয়ামে তিনি শতিকাৰো অধিক কালজুৰি ঐতিহাসিক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰি আহিছে। ১৯৪৭ চনৰ ছেপ্টেম্বৰত ভাৰতৰ সৈতে কূটনৈতিক সম্পৰ্ক স্থাপন কৰা অগ্ৰণী ইউৰোপীয় দেশসমূহৰ ভিতৰত বেলজিয়াম অন্যতম আছিল। ইউৰোপত বেলজিয়াম ভাৰতৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক অংশীদাৰ হিচাপে পৰিগণিত হৈছে আৰু ২০২৫-২৬ বৰ্যত দেশখনৰ সৈতে দ্বিপাক্ষিক বাণিজ্য ১৩ বিলিয়ন ডলাৰৰো অধিক হৈছে।

00000

ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ বৌদ্ধিক সম্পদ (আই পি) কাৰ্যালয়ৰ মুৰব্বীসকলৰ ১৮ সংখ্যক বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়। এই বৈঠকত ব্ৰিকছত ভাৰতৰ অধ্যক্ষতা, স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বিষয়ে আলোচনা কৰা হয়। বৌদ্ধিক সম্পদৰ কাঠামোসমূহে কেনেদৰে প্ৰযুক্তিগত স্থিতিস্থাপকতা আৰু বহনক্ষম অৰ্থনৈতিক বৃদ্ধিৰ পোষকতা কৰে সেই সন্দৰ্ভত আলোকপাত কৰা হয়। আই পি ব্ৰিকছৰ কাৰ্যালয়ৰ মুৰব্বীসকলে প্ৰকল্পসমূহৰ ফলপ্ৰসূ ৰূপায়ণ আৰু আই পি ব্ৰিকছ গোটত সহযোগিতাৰ ধাৰাবাহিকতা নিশ্চিত কৰিবলৈ সমন্বয় ব্যৱস্থা আৰু সময়ে সময়ে অগ্ৰগতিৰ পৰ্যালোচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গোলকীয় উদ্ভাৱন, সৃষ্টিশীলতা আৰু অৰ্থনৈতিক উন্নয়নৰ এক গুৰুত্বপূৰ্ণ চালক হিচাপে বৌদ্ধিক সম্পত্তিৰ ক্ষেত্ৰত বহুপক্ষীয় সহযোগিতা বৃদ্ধিৰ বাবেও এই মুৰব্বীসকল প্ৰতিশ্ৰুতিবদ্ধ হয়।

00000

কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনীয়ে অৰুণাচলৰ হ’লংগীৰ ড’নি প’লো বিমানবন্দৰৰ নিৰাপত্তাৰ দায়িত্ব ল’বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ সৈতে সংগতি ৰাখি চিআইএছএফৰ উপ পৰিদৰ্শক জেনেৰেল কিমে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুক কালি ইটানগৰত সাক্ষাৎ কৰে। চিআইএছএফৰ আনুষ্ঠানিক অধিগ্ৰহণৰ লক্ষ্য হৈছে বিমান নিৰাপত্তাক অধিক ফলপ্ৰসূ আৰু শক্তিশালী কৰি তোলা।

00000

অৰুণাচলৰ অৱসৰপ্ৰাপ্ত অগ্নিবীৰসকলৰ এতিয়া অৰুণাচল প্ৰদেশ আৰক্ষী, সশস্ত্ৰ আৰক্ষী বেটেলিয়ন, আই আৰ বি এন, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, খনিজ ৰক্ষী, বনৰক্ষী, বিশেষ বাঘ সুৰক্ষা বাহিনী, বনকৰ্মী আৰু কাৰাগাৰ ৱাৰ্ডেনত নিযুক্তিৰ ক্ষেত্ৰত ২০% সংৰক্ষণ থাকিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাজ্যখনৰ গৃহমন্ত্ৰী মামা নাটুঙে কয় যে অগ্নিবীৰসকলৰ অনুশাসন, প্ৰশিক্ষণ আৰু সমৰ্পণে সমাজলৈ বিশেষ অৱদান আগবঢ়াই আহিছে।

00000

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ এছিয়া কাপৰ গ্ৰুপ-এৰ দ্বিতীয়খন খেলত ভাৰতে আজি হংকঙৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। যোৱা দেওবাৰে ডুবাইত থাইলেণ্ডৰ বিৰুদ্ধে ৯৪ ৰানেৰে ভাৰতীয় দলটোৱে জয়লাভ কৰে।

যোৱা নিশা ডুবাইত অনুষ্ঠিত গ্ৰুপ 'বি' ৰ খেলখনত শ্ৰীলংকাই ইণ্ডোনেছিয়াক ৭৫ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১২৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইণ্ডোনেছিয়াই ১৮ অভাৰ আৰু ৩টা বলত আটাইকেইটা হেৰুৱাই মাত্ৰ ৪৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ ৭টা উইকেট দখল কৰা চামাৰী আথাপথ্থুক প্লেয়াৰ অৱ দ্য মেচ ঘোষণা কৰা হয়।

ooooo

সমাপ্ত